# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-11-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত উপস্থিত বিশেষজ্ঞসকলৰ পৰা যিমান সম্ভৱ সিমান শিকিবলৈ অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। মহোৎসৱখনক শিকাৰ মঞ্চ হিচাপে ব্যৱহাৰ কৰিবলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদ চি আই এছ্ আৰ, বিজ্ঞান প্ৰযুক্তি মন্ত্ৰালয় আৰু ভূ-বিজ্ঞান মন্ত্ৰালয়ৰ উদ্যোগত আজিৰ পৰা আৰম্ভ হোৱা আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই মহোৎসৱ আয়োজন কৰাৰ সুযোগ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। আজিৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰালয়ৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙৰ লগতে অৰুণাচল প্ৰদেশৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী দাছাংলু পুলু, নীতি আয়োগৰ সদস্য ড০ ভি কে সাৰস্বতকে ধৰি বহুকেইগৰাকী বিশিষ্ট বিজ্ঞানী উপস্থিত থাকে। উল্লেখযোগ্য যে বিজ্ঞান আৰু প্ৰযুক্তিক মূল চালিকা শক্তিৰূপে লৈ ভাৰতক বিশ্বৰ অগ্ৰণী ৰাষ্ট্ৰলৈ ৰূপান্তৰৰ লক্ষ্যৰে অনুষ্ঠিত কৰা এইবাৰৰ দশম বাৰ্ষিক বিজ্ঞান মহোৎসৱত প্ৰায় ১২ হাজাৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। এই আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ দুই ডিচেম্বৰত হ'বলগীয়া মত বিনিময় অনুষ্ঠানত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ তথা বিশিষ্ট বিজ্ঞানী এছ্ সোমনাথ উপস্থিত থাকিব। অহা ৩ ডিচেম্বৰত এই মহোৎসৱৰ সামৰণি পৰিব।

ooooo

ৰাজ্যৰ বিভিন্ন জিলাত অহা ৩ ডিচেম্বৰৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। এই উৎসৱৰ সময়ছোৱাত জিলাসমূহৰ চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰ আদিৰ চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব। কামৰূপ মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হব। আজি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত এখন সংবাদমেলত জিলাখনৰ আয়ুক্ত সুমিত চট্টৰাজে এই বিষয়ে প্ৰকাশ কৰে। মহানগৰীৰ এখন জিলা চিকিৎসালয়, এটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, দুখন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ আৰু ৪৭ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উপৰি ৫ টা উপ স্বাস্থ্য কেন্দ্ৰ আয়ুষ্মান আৰোগ্য মন্দিৰক সামৰি এই মূল্যায়ন কৰা হব। এগৰাকী প্ৰশাসনিক বিষয়া আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ এজন চিকিৎসকে ৰাজ্যিক মূল্যায়ক হিচাপে স্বাস্থ্য কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিব।

শিৱসাগৰ জিলাৰ মুঠ ৪৫ খন চিকিৎসালয়ত ৩ ডিচেম্বৰৰ পৰা স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব বুলি আজি জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে প্ৰকাশ কৰে। তেওঁ কয় যে, এই উৎসৱত স্বাস্থ্য সেৱাৰ আন্তঃগাথনি, পৰিষ্কাৰ পৰিচ্ছন্নতা, চিকিৎসালয়ত সংক্ৰমন নিয়ন্ত্ৰণ আৰু ৰোগীক প্ৰদান কৰা সেৱা মূল্যায়ন কৰা হ'ব। জিলাখনৰ এখন চিকিৎসালয়, এখন মহকুমা চিকিৎসালয়, ৪ টা সামুহিক স্বাস্থ্য কেন্দ্ৰকে ধৰি ৪৫ টা স্বাস্থ্য সেৱা প্ৰতিষ্ঠানত এই মূল্যায়ন কৰা হ'ব। তিনিচুকীয়া জিলাৰ চাহ বাগিছা অঞ্চলৰ ৰাজহুৱা আৰু

ব্যক্তিগত খণ্ডত স্থাপিত ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠানত এই কাৰ্যসূচী লোৱা হব। প্ৰতিটো স্বাস্থ্য কেন্দ্ৰত ৰোগীক স্বাস্থ্য সেৱা  প্ৰদানৰ উপযুক্ত সুবিধা আছে নে নাই সেই বিষয়ে চালি জাৰি  চোৱা হ'ব। বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হি ৰূপায়ণ কৰা এই স্বাস্থ্য সেৱা উৎসৱে ৰাজ্যৰ স্বাস্থ্য খণ্ডত ইতিবাচক পৰিৰৰ্তন আনিব বুলি আশা কৰা হৈছে। গোলাঘাট জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়ত এই মূল্যায়ন কাৰ্যসূচী লোৱা হ'ব। চিকিৎসালয়সমূহৰ সা-সুবিধা সম্পৰ্কে ৪৮ গৰাকী বহিঃমূল্যায়নকাৰীয়ে মূল্যায়ন কৰিব। চৰাইদেউ জিলাত মুঠ ৩৮ টা চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হব। জিলা স্বাস্থ্য বিভাগে আজি এই বিষয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। লখিমপুৰ জিলাত ৫২ খন চিকিৎসালয়ত ৩ ডিচেম্বৰৰ পৰা হ'বলগীয়া স্বাস্থ্য সেৱা উৎসৱৰ বাবে প্ৰস্তুতি চলিছে। এই কাৰ্যসূচীত ৫০ জন জিলা পৰ্যায়ৰ বিষয়া আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ১৭ গৰাকী চিকিৎসকে বহিঃমূল্যায়ক হিচাপে অংশ লব।

নলবাৰী জিলাতো ৩ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ স্বাস্থ্য সেৱা উৎসৱ আৰম্ভ হব। জিলাখনৰ ৫৮ খন বিভিন্ন পৰ্যায়ৰ চিকিৎসালয়ত এই কাৰ্যসূচী লোৱা হব। উৎসৱৰ প্ৰস্তুতি সম্পৰ্কে আজি জিলাখনৰ আয়ুক্ত বৰ্ণালী ডেকাই সবিশেষ প্ৰকাশ কৰে। তেওঁ কয় যে, ৩ ডিচেম্বৰত ২১ খন, ৪ ডিচেম্বৰত ১৯ খন আৰু ৫ ডিচেম্বৰত ১৮ খন চিকিৎসালয়ৰ মূল্যায়ন কৰা হ'ব। ইয়াৰ বাবে ৭৪ জন আন্তঃমূল্যায়ক আৰু ৭২ জন বহিঃমূল্যায়ক নিয়োগ কৰা হৈছে। দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ হাতশিঙিমাৰীত ১৭ টা স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। হাতশিঙিমাৰী  জিলা চিকিৎসালয়কে ধৰি অন্য ১৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী লোৱা হ'ব।

মৰিগাওঁ জিলাতো স্বাস্থ্য সেৱা উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আজি সংবাদমেল যোগে এই বিষয়ে প্ৰকাশ কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা আঠ বাজি দুই মিনিটত সংবিধান দিৱস বিষয়ক এটা অনুষ্ঠানৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ভাৰতীয় সংবিধানৰ গুৰুত্ব আৰু নাগৰিকৰ কৰ্তব্য আৰু অধিকাৰ সম্পৰ্কত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মতামত ব্যক্ত কৰিব। অনুষ্ঠানটি প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কাহিলীপাৰাৰ সমগ্ৰ শিক্ষা অভিযান কাৰ্যালয়ত জ্ঞানৰ ই-কক্ষ মুকলি কৰে। ই-কক্ষ আছাম ইউটিউব চেনেলৰ জৰিয়তে বিদ্যালয়ৰ লগতে ঘৰৰ পৰাও শিক্ষাৰ্থীয়ে পাঠ গ্ৰহণ কৰিব পাৰিব বুলি শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে প্ৰকাশ কৰে। শিক্ষা বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ উপস্থিতিত ই-কক্ষ মুকলি কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয় যে, প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ সকলো পাঠ্যক্ৰমৰ ভিডিঅ' পাঠদান এই ইউটিউব চেনেলত উপলব্ধ হ'ব। অভিজ্ঞ শিক্ষকসকলৰ দ্বাৰা  অসমীয়া ভাষাত সকলো পাঠৰ ভিডিঅ' প্ৰস্তুত কৰা হৈছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে পাঠৰ ভিডিঅ' প্ৰস্তুত কৰা শিক্ষকসকলক আজিৰ এই অনুষ্ঠানত মানপত্ৰ বিতৰণ কৰে।

ooooo

অসম বক্সিং সন্থাৰ উদ্যোগত গুৱাহাটীৰ ছাই উপকেন্দ্ৰত আজি ৪৪ সংখ্যক আন্তঃজিলা ছিনিয়ৰ বক্সিং প্ৰতিযোগিতা উদ্বোধন কৰা হয়। খেলসমূহ শুকুৰবাৰৰ পৰা অনুষ্ঠিত হৈছে যদিও প্ৰতিযোগিতাখন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। প্ৰতিযোগিতাত পুৰুষ আৰু মহিলাৰ উভয় শাখাৰে ১০টা ওজন শাখাৰ খেল অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনত ৩০ খন জিলাৰ ১৫০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এইখন প্ৰতিযোগিতাৰ পৰাই অহা বছৰ জানুৱাৰীত উত্তৰাখণ্ডত হ'বলগীয়া ছিনিয়ৰ ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাৰ বাবে খেলুৱৈ বাচনি কৰা হ'ব।

০০০০০

সমাপ্ত